
Acc.No. 51

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত নাৰী দিৱস উদ্‌যাপন

## মহিলা কোষৰ প্ৰাচীৰ পত্ৰিকা 'নাৰী' উন্মোচন





**মিৰ্জা, ১০ মাৰ্চ ঃ** মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়তো ৮ মাৰ্চত ভিন্নসুৰী কাৰ্যসূচীৰে আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত বোৱা-কটা আৰু হস্তশিল্পৰ প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে মহাবিদ্যালয়ৰ অভিভাৱক সন্থাৰ সম্পাদক ৰমেশ মহন্তই। বৃক্ষৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে সোণতোলা গাঁৱৰ গাঁওবুঢ়াই। নাৰী দিৱস উপলক্ষে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ মহিলা কোষৰ হৈ ড° মনশ্ৰী দাসে প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা 'নাৰী' (NAARI–Noble-amiable-aware-responsible individual) উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপিকা ফুলৰাণী ডেকাই। নাৰী বিষয়ক কেইবাটাও তাৎপৰ্যপূৰ্ণ লেখাৰে সমৃদ্ধ প্ৰাচীৰ পত্ৰিকাখন চিন্তা-চেতনাৰ মাধ্যম হোৱাৰ কামনা কৰে উন্মোচকগৰাকীয়ে। আনহাতে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'হাৰাঘাট' উন্মোচন কৰে শিক্ষক গোটৰ সভাপতি জিনু দাসে। একেদৰে ইংৰাজী বিভাগৰ 'নিউজ লেটাৰ' উন্মোচন কৰে আই কিউ এ চিৰ সমন্বয়ক ড° নৰকান্ত অধিকাৰীয়ে। মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰঞ্জন ভূঞাই সদ্যসমাপ্ত দক্ষিণ কামৰূপ খেল সন্থাৰ বাৰ্ষিক অনুষ্ঠানত অংশগ্ৰহণকাৰী মহাবিদ্যালয়খনৰ ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰে।

ASOMIYA PRATIDIN = 11 - march, 2022 . P = 8

অসমীয়া প্ৰতিদিন = ১১ মাৰ্চ, 2022. পৃঃ ৮

Acc.No 52

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# মিৰ্জাত ড° নৱকান্ত অধিকাৰীৰ তিনিখন গ্ৰন্থ উন্মোচন

**মিৰ্জা, ৯ জুন ঃ** আজি দিনৰ ১২.৩০ বজাত এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয় দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ডিজিটেল ক্লাছ ৰুমত। সভাত মহাবিদ্যালয়খনৰ নৱনিযুক্ত অধ্যক্ষ ড° নৱকান্ত অধিকাৰী ৰচিত তিনিখন গ্ৰন্থ উন্মোচনৰ উদ্দেশ্যে সভাখন মহাবিদ্যালয়ৰ শিক্ষক গোট আৰু কৰ্মচাৰী গোটৰ সৌজন্যত অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাই সভাত সভাপতিত্ব কৰে। গ্ৰন্থ উন্মোচক তথা পৰিচালনা সমিতিৰ সভাপতি ড° ৰমেশ চন্দ্ৰ কলিতাক ফুলাম গামোচা, জাপি, শৰাই আৰু এটা কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। সভাত উপস্থিত বিশিষ্ট উদ্যোগী, সমাজসেৱক অনিল দাসক সম্বৰ্ধনা জনোৱা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক, বিশ্ববিদ্যালয়ৰ মনোনীত পৰিচালনা সদস্য দিলীপ মেধি, তথা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অধিকাৰীকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ পাছতে 'Historical Importance of Chamariya Satra' পৰিচালনা সমিতিৰ সভাপতি ড° ৰমেশ কলিতাই 'প্ৰসংগ ঃ শংকৰদেৱ' শীৰ্ষক গ্ৰন্থ উদ্যোগী অনিল দাসে আৰু পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই 'A Selective Articles on Sankardeva & Satra' উন্মোচন কৰে। উন্মোচক অনিল দাসে ড°অধিকাৰীৰ সৃষ্টি কৰ্মৰ শলাগ লোৱাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এটা কেন্দ্ৰীয় পুথিভঁৰাল নিজা খৰচত নিৰ্মাণ কৰি দিব বুলি ৰাজহুৱাভাৱে ঘোষণা কৰে।

ASOMIYA KHABAR = 10 - June, 2022. P = 3

অসমীয়া খবৰ = ১০ জুন, 2022. পৃঃ = ৩

Acc.No: 53

Dakshin Kamrup Girls' College Library
Estd. 1988

# Exhibition

STAFF REPORTER

GUWAHATI, Aug 14: On the eve of Independence Day, the Department of Mass Communication and the Department of History of Dakshin Kamrup Girls' College, Mirza jointly organised an exhibition on the theme 'Partition Horrors Remembrance Day' on Sunday. Dr Nara Kanta Adhikary, principal of the college, inaugurated the exhibition. A rally was also held on the occasion.

The Assam Tribune = 15 - August, 2022 P.-5

Acc.No 54

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

অসমৰ ক্ৰীড়া সাংবাদিকতাৰ বাটকটীয়া

# মিৰ্জাত বেলিৰাম দাসক স্মৰণ, পৰিয়ালক সম্বৰ্ধনা

**নিয়মীয়া বাৰ্তা, ৰামপুৰ, ১১ ছেপ্টেম্বৰ ঃ** অসমৰ ক্ৰীড়া সাংবাদিকতাৰ অগ্ৰদূত পলাশবাৰীৰ প্ৰয়াত বেলিৰাম দাস (নমঃশূদ্ৰ)ক আজি অসম ক্ৰীড়া সাংবাদিক সন্থাই মিৰ্জাত সশ্ৰদ্ধস্মৰণ কৰে। তেওঁ ১৯২৩ চনৰ ১ জুলাইতেই ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত সাপ্তাহিক কাকত এখনত ছাত্ৰ অৱস্থাতেই প্ৰথমটো খেলৰ বাতৰি প্ৰকাশ কৰি ক্ৰীড়া ১০ পৃষ্ঠাত

## মিৰ্জাত বেলিৰাম দাসক স্মৰণ

সাংবাদিকতাৰ যাত্ৰা আৰম্ভ কৰিছিল। আজি মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অসম ক্ৰীড়া সাংবাদিক সন্থাই ক্ৰীড়া সাংবাদিকতাৰ শতবৰ্ষ উপলক্ষে আয়োজন কৰা তৃতীয়টো কাৰ্যসূচীত সভাপতিত্ব কৰে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি সুবোধ মল্ল বৰুৱাই। দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ অগ্ৰণী বিষয়ববীয়া সুকুমাৰ মেধিয়ে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত প্ৰয়াত বেলিৰাম দাসৰ পৰিয়ালৰ লগতে বকোৰ প্ৰয়াত সাংবাদিক খগেন বায়নৰ পৰিয়াল আৰু ধূপধৰাৰ প্ৰয়াত জ্ঞান শংকৰ খাখলাৰীৰ পৰিয়ালক সম্বৰ্ধনা জনায়। তদুপৰি আজিৰ এই সম্বৰ্ধনা সভাতেই গোৱালপাৰাৰ ৰছিদুল হুছেইন, বকোৰ বিষ্ণুৰাম দাস, মিৰ্জাৰ মিলন মহন্ত, ফটো সাংবাদিক কুলেন্দু কলিতাৰ লগতে 'নিয়মীয়া বাৰ্তা'ৰ ৰামপুৰৰ সাংবাদিক বিমল শৰ্মাক ক্ৰীড়া সাংবাদিকতালৈ আগবঢ়াই থকা অৱদানৰ বাবে ফুলাম গামোচা, প্ৰশংসা-পত্ৰ, স্মাৰক আৰু বস্ত্ৰৰে বিপুল সম্বৰ্ধনা জনোৱা হয়। সভাত সৰ্বভাৰতীয় ক্ৰীড়া সাংবাদিক সন্থাৰ কোষাধ্যক্ষ তথা জ্যেষ্ঠ সাংবাদিক বিদ্যুৎ কলিতাই অসমৰ ক্ৰীড়া সাংবাদিকতা আৰু ইয়াৰ ঐতিহাসিক গুৰুত্ব সম্পৰ্কত এক বস্তুনিষ্ঠ পৰ্যালোচনা আগ বঢ়ায়। সম্বৰ্ধনা সভাখনৰ আৰম্ভণিতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে অভ্যাগতসকলক আদৰণি জনায়। সভাত শত বৰ্ষ গৰকা অসম ক্ৰীড়া সাংবাদিকতাৰ ঐতিহ্যৰ স্বাক্ষৰ বহন কৰা তথ্যচিত্ৰ এখনো প্ৰদৰ্শন কৰা হয়। সভাৰ শেষত শলাগৰ শৰাই আগ বঢ়ায় দক্ষিণ কামৰূপৰ ক্ৰীড়া সাংবাদিকতাৰ অন্যতম অগ্ৰণী সাংবাদিক তথা ক্ৰীড়া সংগঠক সুকুমাৰ মেধিয়ে।

NIYOMIYA BARTA - 12, September - 2022. P-3

নিয়মীয়া বাৰ্তা - ১২ ছেপ্তেম্বৰ - 2022. পৃঃ-৩

Acc.No: 55

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

### কেইবাগৰাকী সাংবাদিকক সম্বৰ্ধনা ক্ৰীড়া সাংবাদিক সন্থাৰ

# মিৰ্জাত ক্ৰীড়া সাংবাদিকতাৰ অগ্ৰদূত বেলিৰাম দাসক স্মৰণ



আমাৰ বিশেষ খবৰ, দক্ষিণ কামৰূপ ১১ ছেপ্টেম্বৰ ঃ অসমত ক্ৰীড়া সাংবাদিকতাৰ অগ্ৰদূত পলাশবাৰীৰ প্ৰয়াত বেলিৰাম দাস (নমঃশূদ্ৰ) আজি অসম ক্ৰীড়া সাংবাদিক সন্থাই মিৰ্জাত সশ্ৰদ্ধ স্মৰণ কৰে। ১৯২৩ চনৰ ১ জুলাইতেই ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত সাপ্তাহিক কাকত এখনত ছাত্ৰ অৱস্থাতেই প্ৰথমটো খেলৰ বাতৰি প্ৰকাশ কৰি ক্ৰীড়া সাংবাদিকতাৰ যাত্ৰা আৰম্ভ কৰিছিল বেলিৰাম দাসে। আজি মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অসম ক্ৰীড়া সাংবাদিক সন্থাই ক্ৰীড়া সাংবাদিকতাৰ শতবৰ্ষ উপলক্ষে আয়োজন কৰা তৃতীয়টো কাৰ্যসূচীত সভাপতিত্ব কৰে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি সুবোধমল্ল বৰুৱাই। দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ অগ্ৰণী বিষয়ববীয়া সুকুমাৰ মেধিয়ে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত প্ৰয়াত বেলিৰাম দাসৰ পৰিয়ালৰ লগতে বকোৰ প্ৰয়াত সাংবাদিক খগেন বায়নৰ পৰিয়াল আৰু ধূপধৰাৰ প্ৰয়াত জ্ঞান শংকৰ খাখলাৰীৰ পৰিয়ালক মৰণোত্তৰভাৱে সম্বৰ্ধনা জনোৱা হয়। তদুপৰি আজিৰ এই সম্বৰ্ধনা সভাতেই গোৱালপাৰাৰ ৰছিদুল হুছেইন, বকোৰ বিষ্ণুৰাম দাস, মিৰ্জাৰ মিলন মহন্ত, ফটো সাংবাদিক কুলেন্দু কলিতাৰ লগতে নিয়মীয়া বাৰ্তাৰ ৰামপুৰৰ প্ৰতিনিধি বিমল শৰ্মাক ক্ৰীড়া সাংবাদিকতালৈ আগবঢ়াই থকা অৱদানৰ বাবে ফুলাম গামোচা, প্ৰশংসা-পত্ৰ, স্মাৰক আৰু বস্ত্ৰৰে বিপুলভাৱে সম্বৰ্ধনা জনোৱা হয়। আজিৰ সভাত সৰ্বভাৰতীয় ক্ৰীড়া সাংবাদিক সন্থাৰ কোষাধ্যক্ষ তথা জ্যেষ্ঠ সাংবাদিক বিদ্যুৎ কলিতাই অসমৰ ক্ৰীড়া সাংবাদিকতা আৰু ইয়াৰ ঐতিহাসিক গুৰুত্ব সম্পৰ্কত এক বস্তুনিষ্ঠ পৰ্যালোচনা আগবঢ়ায়। সম্বৰ্ধনা সভাখনৰ আৰম্ভণিতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে অভ্যাগতসকলক আদৰণি জনায়। সভাত শতবৰ্ষ গৰকা অসম ক্ৰীড়া সাংবাদিকতাৰ ঐতিহ্যৰ স্বাক্ষৰ বহন কৰা তথ্যচিত্ৰ এখনো প্ৰদৰ্শন কৰা হয়। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় দক্ষিণ কামৰূপৰ ক্ৰীড়া সাংবাদিকতাৰ অন্যতম অগ্ৰণী সাংবাদিক তথা ক্ৰীড়া সংগঠক সুকুমাৰ মেধিয়ে।

ASOMIYA KHABAR - 12, September - 2022. P-7

অসমীয়া খবৰ - ১২ ছেপ্তেম্বৰ - 2022. পৃ:-৭

Acc.No: 2 56

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# অসমত ক্ৰীড়া সাংবাদিকতাৰ শতবাৰ্ষিকীৰ মিৰ্জাৰ বিশেষ অনুষ্ঠানত কেইবাগৰাকীও সাংবাদিকক সম্বৰ্দ্ধনা

নিজা বাতৰি দিওঁতা

**বৰিহাট, ১১ ছেপ্টেম্বৰ ঃ** অসমত ক্ৰীড়া সাংবাদিকতাৰ শতবাৰ্ষিকীৰ তৃতীয় বিশেষ অনুষ্ঠান আজি মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত আৰু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সহযোগত সন্থাৰ সভাপতি সুবোধ মল্ল বৰুৱাৰ সভাপতিত্বত মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাখনত আদৰণী বক্তব্য আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে। শতবৰ্ষত অসমৰ ক্ৰীড়া সাংবাদিকতা সম্পৰ্কত ভাৰতীয় ক্ৰীড়া সাংবাদিক সন্থাৰ কোষাধ্যক্ষ বিদ্যুৎ কলিতা আৰু অসমৰ ক্ৰীড়া বাতৰি নিজৰ নামত লিখা প্ৰথমগৰাকী পলাশবাৰীৰ সন্তান বেলিৰাম নমঃশূদ্ৰক জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক সুকুমাৰ মেধিয়ে সোঁৱৰণ কৰাৰ পাছত সম্বৰ্দ্ধনা পৰ্বৰ অনুষ্ঠান হয়। অসমত ক্ৰীড়া সংবাদসেৱাৰ পাতনি মেলা বেলিৰাম নমঃশূদ্ৰৰ হকে পৰিয়ালৰ পাপৰি মেধি, প্ৰয়াত খগেন বায়নৰ হকে পদুমী বায়ন, জ্ঞানশংকৰ খাখলাৰীৰ হকে ফাগুনী বড়ো আৰু ক্ৰীড়া সংবাদসেৱালৈ বিশেষ অৰিহণা আগবঢ়োৱা গোৱালপাৰাৰ ৰছিদুল হুছেইন, কামৰূপৰ বিমল শৰ্মা, বিষ্ণুৰাম দাস, কুলেন্দু কলিতা, মিলন মহন্ত আৰু মনোজ কুমাৰ দাসক সভাত সম্বৰ্দ্ধনা জনোৱা হয়।




এই সভা আৰম্ভৰ আগেয়ে ক্ৰীড়া বাতৰিৰ 'বাই লাইন' পোৱা অসমৰ প্ৰথমগৰাকী বেলিৰাম দাসৰ স্মৃতি পলাশবাৰী অঞ্চলত যুগমীয়া কৰাৰ বাবে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াক আহ্বান জনাইছে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি সুবোধ মল্ল বৰুৱাই। আজি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় সংগ্ৰহালয়ত বেলিৰাম দাসৰ প্ৰতিচ্ছবি আৰু ১৯২৩ চনত ২ ডিচেম্বৰত 'সাদিনীয়া অসমীয়া' কাকতত প্ৰকাশিত বেলিৰাম দাস (নমঃশূদ্ৰ)ৰ বাইলাইন বাতৰিৰ প্ৰতিচ্ছবি আনুষ্ঠানিকভাৱে বৰুৱাই উন্মোচন কৰে। সংগ্ৰহালয়ৰ অনুষ্ঠানৰ পাছতে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় ডিজিটেল প্ৰেক্ষাগৃহত অসমৰ ক্ৰীড়া সাংবাদিকতাৰ শতবৰ্ষৰ বিশেষ অনুষ্ঠানত সভাপতিৰ আসনৰপৰা বৰুৱাই এই বক্তব্য আগবঢ়ায়।

Dainik Asam - September-12, 2022. P.- 12
দৈনিক অসম - ১২ - ছেপ্তেম্বৰ - 2022। পৃঃ - ১২

Acc.No: 57

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

## দক্ষিণ কামৰূপ ছোৱালী কলেজৰ সংগ্ৰহালয়ত বেলিৰাম দাসৰ প্ৰতিচ্ছবি উন্মোচন

# মিৰ্জাত ক্ৰীড়া সাংবাদিকতাৰ শতবাৰ্ষিকীৰ অনুষ্ঠান

**প্ৰতিদিন সেৱা, মিৰ্জা, ১১ ছেপ্টেম্বৰ ঃ** অসমত ক্ৰীড়া সাংবাদিকতাৰ শতবাৰ্ষিকীৰ তৃতীয় বিশেষ অনুষ্ঠান আজি মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত আৰু দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সহযোগত সন্থাৰ সভাপতি সুবোধমল্ল বৰুৱাৰ সভাপতিত্বত মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাখনত আদৰণী ভাষণ দিয়ে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰীয়ে। অনুষ্ঠানত শতবৰ্ষত অসমৰ ক্ৰীড়া সাংবাদিকতা সন্দৰ্ভত ভাৰতীয় ক্ৰীড়া সাংবাদিক সন্থাৰ কোষাধ্যক্ষ বিদ্যুৎ কলিতাই আলোকপাত কৰাৰ লগতে অসমৰ ক্ৰীড়া বাতৰিত বাইলাইন পোৱা পলাশবাৰীৰ প্ৰথমগৰাকী সন্তান বেলিৰাম নমঃশূদ্ৰক জ্যেষ্ঠ




ক্ৰীড়া সাংবাদিক সুকুমাৰ মেধিয়ে সোঁৱৰণ কৰাৰ পাচত সম্বৰ্ধনাপৰ্ব অনুষ্ঠিত হয়। অসমত ক্ৰীড়া সংবাদসেৱাৰ পাতনি মেলা বেলিৰাম নমঃশূত্ৰৰ হৈ পৰিয়ালৰ পাপৰি মেধি, প্ৰয়াত খগেন বায়নৰ হৈ পদুমী বায়ন, জ্ঞানশংকৰ খাখলাৰীৰ হৈ ফাগুনী বড়ো আৰু ক্ৰীড়া সংবাদ৹সেৱাত বিশেষ পাৰদৰ্শিতা দেখুওৱা গোৱালপাৰাৰ ৰছিদুল হুছেইন, কামৰূপৰ বিমল শৰ্মা, বিষ্ণুৰাম দাস, কুলেন্দু কলিতা, মিলন মহন্ত আৰু মনোজ কুমাৰ দাসক সভাত সম্বৰ্ধনা জনোৱা হয়। সভাত বেলিৰাম দাসৰ স্মৃতি পলাশবাৰী অঞ্চলত যুগমীয়া কৰাৰ বাবে বিধায়ক হেমাংগ ঠাকুৰীয়াক আহ্বান জনাইছে অসম ক্ৰীড়া সাংবাদিক সন্থাৰ সভাপতি সুবোধমল্ল বৰুৱাই। মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত বেলিৰাম দাসৰ প্ৰতিচ্ছবি আৰু ১৯২৩ চনৰ ২ ডিচেম্বৰত সাদিনীয়া অসমীয়া কাকতত প্ৰকাশিত বেলিৰাম দাস (নমঃশূদ্ৰ)ৰ বাইলাইন বাতৰিৰ প্ৰতিচ্ছবি আনুষ্ঠানিকভাৱে বৰুৱাই উন্মোচন কৰে।

ASOMIYA PRATIDIN — September - 12, 2022. P-11

অসমীয়া প্ৰতিদিন - ১২ ছেপ্টেম্বৰ - 2022. পৃ:-১১

Acc.No 58

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza



# ২৫ ছেপ্টেম্বৰত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অভিভাৱক সন্মিলন

আমাৰ বিশেষ খবৰ, দক্ষিণ কামৰূপ, ২০ ছেপ্টেম্বৰ ঃ সমগ্ৰ দক্ষিণ কামৰূপৰ স্ত্ৰী শিক্ষাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অভিভাৱক সন্মিলনখন অহা ২৫ ছেপ্টেম্বৰত মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰী, সমন্বয়ক ড° জগন্নাথ বৰ্মন আৰু অভিভাৱক সমিতিৰ সম্পাদক ৰমেশ মহন্তই জানিবলৈ দিয়া অনুসৰি উক্ত দিনা পুৱা ১১ বজাত সভাৰ কাৰ্যসূচী আৰম্ভ হ'ব। সভাত অন্যান্য কাৰ্যসূচীৰ লগতে প্ৰধানকৈ ভাৰত চৰকাৰৰ উচ্চ শিক্ষাৰ লগত জড়িত 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যয়ন পৰিষদে (নাক)' সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত অভিভাৱকে গ্ৰহণ কৰিবলগীয়া ভূমিকা সম্পৰ্কত আলোচনা কৰা হ'ব। মহাবিদ্যালয়খনত আগন্তুক 'নাক'ৰ পৰ্যবেক্ষণৰ সময়ত অভিভাৱকসকলে কেনেকুৱা ভূমিকা ল'ব লাগিব সেই সম্পৰ্কে আলোচনাত ঠাই পাব বুলি জানিব পৰা গৈছে। সেয়েহে ২৫ ছেপ্টেম্বৰত হ'বলগীয়া অভিভাৱক সন্মিলনলৈ মহাবিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰীসকলৰ অভিভাৱকসকলক উপস্থিত থাকিবলৈ অধ্যক্ষকে ধৰি বিষয়ববীয়াসকলে অনুৰোধ জনাইছে।

ASOMIYA KHABAR – September 21, 2022. P-7

অসমীয়া খবৰ - ২১ ছেপ্টেম্বৰ, 2022. পৃঃ-৭

Acc.No - 59

Dakshin Kamrup Girls' College Library
Estd. 1988
* Mirza *

১২ অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ শুকুৰবাৰ, ২৩ ছেপ্টেম্বৰ, ২০২২/[redacted]

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অভিভাৱক সন্মিলন

**প্ৰতিদিন সেৱা, মিৰ্জা, ২২ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপ অঞ্চলৰ স্ত্ৰী শিক্ষাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে বিগত বছৰবোৰৰ দৰে এইবাৰো অহা ২৫ ছেপ্টেম্বৰত এখন অভিভাৱক সন্মিলনৰ আয়োজন কৰিছে। ভাৰত চৰকাৰৰ উচ্চ শিক্ষাৰ লগত জড়িত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যয়ন পৰিষদে সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত অভিভাৱকৰ ভূমিকাক বিশেষ দৃষ্টিৰে মূল্যায়ন কৰি আহিছে। এই সন্মিলনত অভিভাৱকসকলৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে সক্ৰিয় সহায়-সহযোগিতা কামনা কৰিছে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰী, আই কিউ এ চিৰ সমন্বয়ক ড° জগন্নাথ বৰ্মন, অভিভাৱক সমিতি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় মিৰ্জাৰ সভাপতি হৰেশ্বৰ কলিতা আৰু সম্পাদক ৰমেশ মহন্তই।

ASOMIYA PRATIDIN - September 23, 2022. P-12

অসমীয়া প্ৰতিদিন - ২৩ ছেপ্টেম্বৰ, 2022. পৃঃ-১২

Acc.No: 60

Dakshin Kamrup Girls' College Library
Estd. 1988
* Mirza *

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অভিভাৱক সন্মিলন

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ২২ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপ অঞ্চলৰ স্ত্ৰী শিক্ষাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে বিগত বছৰবোৰৰ দৰে এইবাৰো অহা ২৫ ছেপ্টেম্বৰত দিনৰ ১১ বজাত এখন অভিভাৱক সন্মিলনৰ আয়োজন কৰা হৈছে। ভাৰত চৰকাৰৰ উচ্চ শিক্ষাৰ লগত জড়িত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যয়ন পৰিষদে সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত অভিভাৱকৰ ভূমিকাক বিশেষ দৃষ্টিৰে মূল্যায়ন কৰি আহিছে। এনে এক ধাৰণাৰ ওপৰত ভিত্তি কৰি এই অভিভাৱক সন্মিলনৰ আয়োজন কৰা হৈছে। এই অভিভাৱক সন্মিলনত সদাশয় লোকৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে সক্ৰিয় সহায়-সহযোগিতা কামনা কৰিছে।

DAINIK AGRADOOT - 23 September, 2022. P-2

দৈনিক অগ্ৰদূত - ২৩-ছেপ্তেম্বৰ, 2022. পৃঃ-2

Acc.No: 61

Dakshin Kamrup Girls' College Library
Estd. 1988
* Mirza *

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত অভিভাৱক সন্মিলন

নিজা বাতৰি দিওঁতা

**বৰিহাট, ২৩ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপ অঞ্চলৰ স্ত্ৰী শিক্ষাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ে বিগত বছৰবোৰৰ দৰে এইবাৰো ২৫ ছেপ্টেম্বৰৰ দিনৰ ১১ বজাত এখন অভিভাৱক সন্মিলনৰ আয়োজন কৰিছে। ভাৰত চৰকাৰৰ উচ্চ শিক্ষাৰ লগত জড়িত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যয়ন পৰিষদে (NAAC) সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত অভিভাৱকৰ ভূমিকাক বিশেষ দৃষ্টিৰে মূল্যায়ন কৰি আহিছে। সেইবাবেই এই অভিভাৱক সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনত সদাশয় লোকৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে সক্ৰিয় সহায়-সহযোগিতা কামনা কৰিছে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰী, আই কিউ এ চিৰ সমন্বয়ক ড° জগন্নাথ বৰ্মন, অভিভাৱক সমিতিৰ সভাপতি হৰেশ্বৰ কলিতা আৰু সম্পাদক ৰমেশ মহন্তই।

DAINIK ASAM – 24 September, 2022. P-9

দৈনিক অসম - ২৪ ছেপ্তেম্বৰ, 2022. পৃঃ-৯

Acc.No: 62

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# মিৰ্জাত অভিভাৱক সন্মিলন

**মিৰ্জা, ২৩ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ স্ত্ৰী শিক্ষাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অভিভাৱক সন্মিলন এখন অহা ২৫ ছেপ্টেম্বৰত আহ্বান কৰা হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে জনোৱামতে ভাৰত চৰকাৰৰ উচ্চ শিক্ষাৰ লগত জড়িত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদে অভিভাৱকৰ ভূমিকাক বিশেষ দৃষ্টিৰে মূল্যাংকন কৰিছে। সন্মিলনখন উক্ত দিনা দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব।

ASOMIYA PRATIDIN - 24 September, 2022. P-8
অসমীয়া প্ৰতিদিন - ২৪ ছেপ্তেম্বৰ - 2022. পৃঃ-৮

Acc.No 63

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza



দঃ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাত ড° সমুজ্জ্বল ভট্টাচাৰ্য

# প্ৰতিগৰাকী ছাত্ৰীয়ে নিজৰ নিজৰ প্ৰতিভাৰে সমাজক পোহৰাই তোলক




নিয়মীয়া বাৰ্তা, ৰামপুৰ, ২৪ ছেপ্টেম্বৰ ঃ মহাবিদ্যালয়ৰ ছাত্ৰীসকল আকাশত থকা একো একোটা তৰাৰ দৰে। তৰা একোটাই যেনেকৈ পোহৰ দিয়ে আমাৰ ছাত্ৰীসকলেও নিজৰ স্বকীয় প্ৰভিভাৰে সমাজক পোহৰাই তোলক। মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাত আজি বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই এনেদৰে মন্তব্য কৰে। তিনি সহস্ৰাধিক ১০ পৃষ্ঠাত

NIYOMIYA BARTA — 25 September-2022. P-4

নিয়মীয়া বাৰ্তা - ২৫ ছেপ্টেম্বৰ - 2022. পৃঃ - ৪

Acc.No: 64

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় মিৰ্জাৰ নৱাগত আদৰণী সভা

# 'দিছপুৰত বহি চমক সৃষ্টি কৰাৰ সলনি শিক্ষাৰ মান অটুট ৰাখক চৰকাৰে'

প্ৰতিদিন সেৱা, মিৰ্জা, ২৪ ছেপ্টেম্বৰ ঃ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় মিৰ্জাৰ আজি নৱাগত আদৰণী সভাখন অনুষ্ঠিত হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই প্ৰতিগৰাকী ছাত্ৰীক আকাশৰ তৰাৰ দৰে হ'বলৈ কয়। মাতৃভূমিৰ স্বাভিমান ৰক্ষা কৰিবলৈ আমাক পোহৰ লাগে বুলি তেওঁ কয়। লগতে চৰকাৰক মহাবিদ্যালয়খনত বিজ্ঞান আৰু বাণিজ্য বিভাগ অন্তৰ্ভুক্ত কৰাৰ কথা তেওঁ দোহাৰে। আনহাতে দিছপুৰত বহি চমক সৃষ্টি কৰাৰ সলনি শিক্ষানুষ্ঠানৰ মান অটুট ৰখাৰ বাবে চৰকাৰক আহ্বান জনায় সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। তেওঁ ছাত্ৰীসকলক শিপা নাপাহৰিবলৈ কয়। লগতে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বেয়াখিনি




আঁতৰ কৰি ভালখিনি ল'বলৈ আহ্বান জনায়। ভট্টাচাৰ্যই লগতে জ্ঞানপীঠ বঁটা বিজয়ী মামণি ৰয়ছম গোস্বামী, বোলছবি পৰিচালক ৰীমা দাস, দৌৰবিদ হিমা দাস, খোজ কাঢ়ি লাডাখত পদাৰ্পণ কৰা অঞ্জলি দাসৰ শলাগ লয়। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰসংগ উত্থাপন কৰি শিল্পীগৰাকীৰ প্ৰতিটো কথাই এটি গৱেষণা বুলি কয়। সভাত ঠিকাদাৰ অনিল দাসে ছাত্ৰীসকলে আগত সময়ত পৰীক্ষাত আৰু বেছি ভাল ফলাফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। সভাত আছুৰ কাৰ্যালয় সম্পাদক নিৰোদ কুমাৰ দাস, খেলুৱৈ অঞ্জলি দাস, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰীকে ধৰি কেইবাজনো বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। এই সভাত নিমন্ত্ৰিত কণ্ঠশিল্পী আৰু ছাত্ৰীসকলে গীত-মাত পৰিৱেশন কৰে।

ASOMIYA PRATIDIN - September 25, 2022. P.-6

অসমীয়া প্ৰতিদিন - ২৫ ছেপ্তেম্বৰ, 2022. পৃঃ-৬

Acc.No 65

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী কলেজত অভিভাৱক সন্মিলন

প্ৰতিদিন সেৱা, মিৰ্জা, ২৫ ছেপ্টেম্বৰ ঃ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত আজি এখন অভিভাৱক সন্মিলন অনুষ্ঠিত হয়। নাকৰ পৰিদৰ্শনৰ বাবে প্ৰস্তুতি চলোৱা সন্দৰ্ভত আলোচনা কৰিবলৈ এই সন্মিলনখন অনুষ্ঠিত কৰা হয়। অভিভাৱক সমিতিৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাৰ সভাপতি হৰেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত. আৰু সম্পাদক ৰমেশ মহন্তই আঁত ধৰা এই সন্মিলনত মহাবিদ্যালয়খনৰ আই কিউ এ চিৰ সমন্বয়ক ড° জগন্নাথ বৰ্মনে অভিভাৱক, ছাত্ৰী আৰু শিক্ষকসকলৰ মাজত থকা সম্পৰ্কৰ লগতে বহুকেইটা দিশৰ ওপৰত ভাষণ প্ৰদান কৰে। অধ্যক্ষ ড° নৰকান্ত অধিকাৰীৰ লগতে এই সন্মিলনত বহু অভিভাৱকে ছাত্ৰীসকলৰ সমস্যা, শিক্ষাৰ দিশ, শিক্ষকৰ কৰণীয় আদি বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰে।

ASOMIYA PRATIDIN – 26 September, 2022 . p-11

অসমীয়া প্ৰতিদিন - ২৬ ছেপ্তেম্বৰ, 2022 . পৃঃ-১১

Acc.No 66

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ

# 'মৌখিক বুৰঞ্জী মানুহৰ মুখে মুখে থাকে, বিদ্যায়তনিক বুৰঞ্জী স্থায়ী'

**প্ৰতিদিন সেৱা, মিৰ্জা, ১৮ নৱেম্বৰ ঃ** আজাদী কা অমৃত মহোৎসৱ উপলক্ষে দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ উদ্যোগত ইণ্ডিয়ান কাউন্সিল অব্ ছ'চিয়েল ছাইন্স ৰিছাৰ্চৰ অৰ্থ সাহায্যত আজিৰ পৰা দুদিনীয়াকৈ 'আনডিভাইডেড কামৰূপ ড্ৰিষ্টিক্ট ইন ইণ্ডিয়াজ ফ্ৰীডম ষ্ট্ৰাগল' শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন আলোচনাচক্ৰ মহাবিদ্যালয়খনত অনুষ্ঠিত হৈছে। আলোচনাচক্ৰত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱকান্ত অধিকাৰীয়ে। অবিভক্ত কামৰূপ জিলাৰ শৈক্ষিক, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠান, সমাজৰ মধ্যবিত্ত শ্ৰেণী, কৃষক আদিৰ স্বাধীনতা আন্দোলনত ভূমিকাৰ বিষয়ে তেওঁ ব্যাখ্যা কৰে। অধ্যক্ষ ড° অধিকাৰীয়ে সঞ্চালনা কৰা এই আলোচনাচক্ৰ নেহুৰ বুৰঞ্জী বিভাগৰ অধ্যাপক এ কে ঠাকুৰে উদ্বোধন কৰি বিদ্যায়তনিক বুৰঞ্জী আৰু মৌখিক বুৰঞ্জীৰ পাৰ্থক্যৰ বিষয়ে কয়। তেওঁ কয় যে মৌখিক বুৰঞ্জী মানুহৰ মুখে মুখে থাকে। বিদ্যায়তনিক বুৰঞ্জী স্থায়ী আৰু প্ৰমাণসিদ্ধ। গৱেষণাপত্ৰ কেনেদৰে প্ৰস্তুত কৰিব লাগে সেই বিষয়েও তেওঁ ভাষণত উল্লেখ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক বৰ্ণালী শৰ্মাই আলোচক্ৰত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি ভাৰতৰ স্বাধীনতা আন্দোলনত অবিভক্ত কামৰূপ জিলাৰ অৱদানৰ বিষয়ে উল্লেখ কৰে। আলোচনাচক্ৰত দেশৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়ৰ শিক্ষক, গৱেষকসহ ৫৫ গৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিছে।

ASOMIYA PRATIDIN - 19 November - 2022. P-13

অসমীয়া প্ৰতিদিন - ১৯ নৱেম্বৰ, 2022. পৃঃ - ১৩

Acc.No 67

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী কলেজত আলোচনা-চক্ৰ

নিয়মীয়া বাৰ্তা, ৰামপুৰ, ১৮ নৱেম্বৰ ঃ দেশৰ 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ পৃষ্ঠপোষকতাত আজিৰ পৰা দুদিনীয়াকৈ ৮ পৃষ্ঠাত

## দক্ষিণ কামৰূপ ছোৱালী কলেজত আলোচনা-চক্ৰ

মিৰ্জাস্থিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় আলোচনা-চক্ৰ এখন অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ ইতিহাস বিভাগৰ উদ্যোগত আয়োজিত 'ভাৰতৰ স্বাধীনতা সংগ্ৰামত অবিভক্ত কামৰূপ জিলাৰ ভূমিকা' শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনা-চক্ৰখন উদ্বোধন কৰি উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ড° এ কে ঠাকুৰে। একাডেমিক ইতিহাস আৰু পাব্লিক ইতিহাসৰ ওপৰত এক বিজ্ঞানসন্মত পৰ্যালোচনা দাঙি ধৰে। অধ্যাপক ড° ঠাকুৰে ড° সূৰ্য কুমাৰ ভূঞা, ড° হেৰম্বকান্ত বৰপূজাৰী, ড° অমলেন্দু গুহকে ধৰি কেইবাগৰাকীও স্বনামধন্য অসমীয়া ইতিহাসবিদৰ নাম শ্ৰদ্ধাৰে স্মৰণ কৰে। দেশৰ স্বাধীনতা সংগ্ৰামত সেইসময়ৰ বৃহত্তৰ অসমৰ প্ৰতিটো অঞ্চলৰ জনগণে কিদৰে জঁপিয়াই পৰিছিল সেই সম্পৰ্কে চমুকৈ উল্লেখ কৰে। ইতিহাস অধ্যয়নত আঞ্চলিক ইতিহাসবোৰৰ অধ্যয়নো যে জৰুৰী সেই সম্পৰ্কে তেওঁ বহুমূলীয়া মন্তব্য কৰে। আলোচনা-চক্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা বৰ্ণালী শৰ্মাই বৰ্তমানৰ কামৰূপ, কামৰূপ (মেট্ৰ'), বৰপেটা, নলবাৰী, বজালী, বাক্সাকে ধৰি জিলাসমূহ তথা পূৰ্বৰ অবিভক্ত কামৰূপ জিলাৰ প্ৰতিটো প্ৰান্তত কিদৰে স্বাধীনতা লাভৰ আন্দোলন গা কৰি উঠিছিল সেই সম্পৰ্কে বিশদভাৱে ব্যাখ্যা কৰে। তেওঁ গুৱাহাটী, বকো, ভাঙুৰীপাৰা (উপৰহালী), বজালী, হাজো, ৰঙিয়া, নলবাৰী, তামুলপুৰকে ধৰি পূৰ্বৰ অবিভক্ত কামৰূপ জিলাৰ বৃহৎ বৃহৎ অঞ্চলবোৰত ভাৰতৰ স্বাধীনতা আন্দোলন কিদৰে আগ বাঢ়িছিল সেই সম্পৰ্কেও চমু পৰ্যালোচনা আগ বঢ়ায়। তদুপৰি উদ্বোধনী অনুষ্ঠানত গৱেষণা বিশেষজ্ঞ হিচাপে উপস্থিত থাকি পশ্চিমবংগৰ বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ দৰ্শন আৰু তুলনামূলক ধৰ্ম অধ্যয়নৰ অধ্যাপক ড° শুভ্ৰজ্যোতি দাসে ইতিহাস অধ্যয়ন আৰু নৱপ্ৰজন্মৰ চিন্তা-চৰ্চাৰ গতিধাৰা সম্পৰ্কে চমুকৈ মন্তব্য আগ বঢ়ায়। ইয়াৰ পূৰ্বে দুদিনীয়া আলোচনা-চক্ৰত আদৰণী ভাষণ দি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে ১৮৭৪ চনৰ ঔপনিৱেশিক হিচাপে থকা কালৰ পৰা স্বৰাজোত্তৰকালৰ ১৯৮৩ চনলৈ যিখন অবিভক্ত কামৰূপ আছিল, সেইখনৰ পৰৱৰ্তীকালত ছয়খনকৈ জিলাত যে ভাগ ভাগ হৈ পৰিল সেই সম্পৰ্কে উল্লেখ কৰে। অধ্যক্ষ ড° অধিকাৰীয়ে এই ৰাষ্ট্ৰীয় আলোচনা-চক্ৰখনৰ জৰিয়তে অবিভক্ত জিলাখনৰ বিভিন্ন প্ৰান্তত স্বাধীনতা সংগ্ৰামী বীৰ-বীৰাংগনা আৰু সংগ্ৰামৰ সুপ্ত হৈ থকা বহু ঘটনা-প্ৰবাহ আৰু কাহিনীৰ সন্ধান পোৱা যাব বুলি আশা কৰে। দুদিনীয়াকৈ আয়োজিত এই আলোচনা-চক্ৰত ড° নৰকান্ত অধিকাৰী, ড° জগন্নাথ বৰ্মন, ড° লক্ষ্যধৰ শৰ্মা, ড° মৃদুৎপল গোস্বামী, সৌৰভজ্যোতি শৰ্মা, ড° জ্যোতি হাজৰিকা, ড° ৰাজীৱ ডেকা, ড° ফণীন্দ্ৰ কলিতা, ৰূপম কুমাৰ দাস, চুমি দাসকে ধৰি ৫৫গৰাকীকৈ অংশগ্ৰহণকাৰীয়ে বিভিন্ন বিষয়ক লৈ গৱেষণা-পত্ৰ পাঠ কৰিব বুলি ড° অধিকাৰীয়ে জানিবলৈ দিয়ে। ৰাষ্ট্ৰীয় আলোচনা-চক্ৰৰ সমন্বয়ক ড° ৰিপুণ দলেই আঁত ধৰা উদ্বোধনী অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় মহাবিদ্যালয়খনৰ শিক্ষা বিভাগৰ সহযোগী অধ্যাপিকা ড° মিতালী কাঠকটীয়াই।

NIYOMIYA BARTA - 19, November - 2022. P-3

নিয়মীয়া বাৰ্তা - ১৯ নৱেম্বৰ - 2022. পৃঃ-৩

Acc.No - ৫৪

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়

# ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ সামৰণি

**প্ৰতিদিন সেৱা, মিৰ্জা, ১৯ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাত কালিৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত 'ভাৰতৰ স্বাধীনতা সংগ্ৰামত অবিভক্ত কামৰূপ জিলাৰ ভূমিকা' বিষয়ক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আজি সামৰণি পৰে। ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ অৰ্থসাহায্যত আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত মহাবিদ্যালয়খনৰ ইতিহাস বিভাগৰ উদ্যোগত এই আলোচনাচক্ৰখন অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আজি দ্বিতীয় দিনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰত সমল ব্যক্তি হিচাপে ড° জগন্নাথ বৰ্মনে এই আলোচনাচক্ৰত কয় 'ভাৰতৰ স্বাধীনতা আন্দোলনত অবিভক্ত কামৰূপ জিলাৰ ভূমিকা যথেষ্ট আছে। একাংশই দেহে-কেহে এই আন্দোলনত অংশগ্ৰহণ কৰিছিল। কিন্তু স্বাধীনতা লাভৰ পিচত তেওঁলোকৰ অৱদানক স্বীকৃতি দিয়া নহ'ল। এনে লোক অবিভক্ত কামৰূপ জিলাত বহুত আছে। তেওঁলোকৰ সংগ্ৰামী সত্তাৰ মূল্যায়ন হ'ব লাগে।' পিচত সঞ্চালক ড° অধিকাৰীয়ে আলোচনাচক্ৰখনৰ প্ৰস্তুতিৰ পৰা সামৰণিলৈকে চমু আলোকপাত কৰি অংশগ্ৰহণকাৰীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰে। আলোচনাচক্ৰৰ সমন্বয়ক ড° ৰিপুণ দলৈয়ে অংশগ্ৰহণ কৰি এই আলোচনাচক্ৰ সফল কৰি তোলাৰ বাবে সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

ASOMIYA PRATIDIN – 20 November, 2022. P-15

অসমীয়া প্ৰতিদিন - 20 নৱেম্বৰ, 2022. পৃঃ ১৫

Acc.No 69

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন

**প্ৰতিদিন সেৱা, মিৰ্জা, ২০ নৱেম্বৰ ঃ** মিৰ্জাৰ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। মহাবিদ্যালয়খনৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হৰ্ষিতা গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত পুৱা পতাকা উত্তোলন কৰে অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে। তেওঁ মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ লগত জড়িত বৰেণ্য ব্যক্তিসকলক সশ্ৰদ্ধ স্মৰণ কৰে। আই কিউ এ চিৰ সমন্বয়ক ড° জগন্নাথ বৰ্মনেও মহাবিদ্যালয়খনৰ লগত আৰম্ভণিৰ পৰা জড়িতসকলৰ ত্যাগ আৰু বৰঙণিৰ কথা উল্লেখ কৰি বৰ্তমানৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰীসকলক অধিক উদ্যমেৰে মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়। পিচত মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত চাফাই অভিযান আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অধ্যক্ষ ড° অধিকাৰীৰ লগতে শিক্ষক, ছাত্ৰীসকলে এই গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সন্ধিয়া মহাবিদ্যালয় চৌহদত শতাধিক বন্তি প্ৰজ্বলনেৰে প্ৰতিষ্ঠা দিৱসৰ সামৰণি পৰে।



ASOMIYA PRATIDIN - 21, November, 2022. P-6

অসমীয়া প্ৰতিদিন - 20 নৱেম্বৰ, 2022. পৃঃ-৬

Acc.No 70

Dakshin Kamrup Girls' College Library
Estd. 1988
* Mirza *

# দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

**আমাৰ বিশেষ খবৰ, দক্ষিণ কামৰূপ, ২০ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপৰ নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হৰ্ষিতা গোস্বামীয়ে আঁতধৰা অনুষ্ঠানত পুৱা ৯ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° নৱকান্ত অধিকাৰীয়ে। পতাকা উত্তোলন কৰি অধ্যক্ষ ড° অধিকাৰীয়ে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ ব্যক্তি সকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। পতাকা উত্তোলনস্থলীত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° জগন্নাথ বৰ্মনেও প্ৰতিষ্ঠাৰ সময়ত ব্যক্তিসকলক স্মৰণ কৰাৰ লগতে বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক অধিক নিষ্ঠাৰে মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ আহ্বান জনায়। পতাকা উত্তোলনস্থলীত অন্যান্য শিক্ষক আৰু ছাত্ৰীসকলেও সহযোগিতা আগবঢ়ায়। অনুষ্ঠানত মহাবীৰ লাচিতৰ ৪০০ বছৰীয়া জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ চৌহদত চাফাই কাৰ্য চলোৱা হয়। তদুপৰি শিক্ষক-ছাত্ৰী আটায়ে লগ লাগি গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। সন্ধিয়াৰ ভাগত মহাবিদ্যালয়ত বন্তি প্ৰজ্বলন কৰা হয়।

ASOMIYA KHABAR - 21 November-2022. P-5

অসমীয়া খবৰ - ২১ নৱেম্বৰ - 2022, পৃঃ - ৫

Acc.No 71

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

## দক্ষিণ কামৰূপ ছোৱালী কলেজৰ প্ৰতিষ্ঠা দিৱস

নিজা বাতৰি দিওঁতা

বৰিহাট, ২০ নৱেম্বৰ ঃ দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হৰ্ষিতা গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত পুৱা পতাকা উত্তোলন কৰে অধ্যক্ষ ড° নৱকান্ত অধিকাৰীয়ে। লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উপলক্ষে মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত চাফাই অভিযান আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সন্ধিয়া মহাবিদ্যালয় চৌহদত শতাধিক বন্তি প্ৰজ্বলন কৰা হয়।

DANIK ASAM – 21, November-2022. P-1

দৈনিক অসম - ২১ নৱেম্বৰ, 2022. পৃঃ-১

Acc.No: 72

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# Role of Kamrup district in freedom struggle discussed

ANN SERVICE

MIRZA, Nov 20: A national seminar on the role of the undivided Kamrup district in India's freedom struggle was held at DK Girls' College on November 18 and 19.

The seminar was sponsored by the Indian Council of Social Science Research.

The main objective of the seminar was to encourage academicians and researchers to rewrite the history of unsung heroes of the undivided Kamrup district.

The seminar was inaugurated by eminent historian and Professor of the History department, North Eastern Hills University (NEHU), Prof AK Thakur on November 18. Prof Thakur briefly explained the role played by the undivided Kamrup district in the freedom struggle of India.

Prof Barnali Sarma of the History department, Gauhati University, and Prof Subhrajyoti Das, Department of History, Viswabharati University, also spoke on the occasion.

In his welcome address, Principal of DK Girls' College Dr Nara Kanta Adhikary said that Kamrup district was created in 1874 under colonial rule and its territorial boundary remained unchanged till 1983. The undivided Kamrup district consisted of Barpeta, Nalbari, Kamrup Metro, Kamrup, Baksa, Chirang and some parts of Goalpara district. He said that historically, Kamrup district was the hub of the anti-British movement in Assam and at the ground level, a large number of heroes contributed immensely towards it and many of them sacrificed their lives.

The Assam Tribune - 21, November-2022. P-6

Acc.No - 73

Dakshin Kamrup Girls' College Library
Estd. 1988
* Mirza *

# দক্ষিণ কামৰূপ ছোৱালী কলেজৰ প্ৰতিষ্ঠা দিৱস পালন

নিয়মীয়া বাৰ্তা, ৰামপুৰ, ২২ নৱেম্বৰ ঃ দক্ষিণ কামৰূপৰ নাৰী শিক্ষাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ ৩৫সংখ্যক প্ৰতিষ্ঠা দিৱস ২০ নৱেম্বৰত উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হৰ্ষিতা গোস্বামীয়ে আঁত ধৰা এই অনুষ্ঠানত পুৱা ৯ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে। পতাকা উত্তোলন কৰি অধ্যক্ষ ড° অধিকাৰীয়ে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ ব্যক্তিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। পতাকা উত্তোলনস্থলীত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° জগন্নাথ বৰ্মনেও প্ৰতিষ্ঠাৰ সময়ৰ ব্যক্তিসকলক স্মৰণ কৰাৰ লগতে বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক অধিক নিষ্ঠাৰে মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ আহ্বান জনায়। পতাকা উত্তোলনস্থলীত অন্যান্য শিক্ষক আৰু ছাত্ৰীসকলেও সহযোগিতা আগবঢ়ায়। তদুপৰি আজিৰ অনুষ্ঠানত মহাবীৰ লাচিতৰ ৪০০ বছৰীয়া জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ চৌহদত চাফাই কাৰ্য চলোৱাৰ লগতে শিক্ষক-ছাত্ৰীৰ লগতে অধ্যক্ষই গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। সন্ধিয়া মহাবিদ্যালয় চৌহদত শতাধিক চাকি জ্বলোৱা হয়।

NIYOMIYA BARTA - 23, November - 2022. P-9

নিয়মীয়া বাৰ্তা - ২৩ নৱেম্বৰ - 2022. পৃঃ ৯

Acc.No: 74

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# মির্জাৰ কলেজত অভিভাৱকৰ সভা

নিজা বাতৰি দিওঁতা

**বৰিহাট, ১৩ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় মির্জাৰ অভিভাৱক সন্থাৰ ২০২০-২৪ বৰ্ষৰ কাৰ্যনিৰ্বাহক সভাখন আজি সন্থাৰ সভাপতি ৰমেশ চন্দ্ৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত অধ্যক্ষ ড° নৰকান্ত অধিকাৰী, সমন্বয়ক (আই কিউ এ চি) ড° জগন্নাথ বৰ্মন, গ্ৰন্থাগাৰিক ড° কিশোৰ শৰ্মা, অধ্যাপক কমলেশ্বৰ বৰাও উপস্থিত থাকে।

DAINIK ASAM - December 14, 2022. P-1

দৈনিক অসম - ১৪ ডিচেম্বৰ, 2022. পৃঃ - ১

Acc.No 75

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# দক্ষিণ কামৰূপ ছোৱালী কলেজত জীৱিকা সৃজনী কেন্দ্ৰ উদ্বোধন

**প্ৰতিদিন সেৱা, মিৰ্জা, ১৭ ডিচেম্বৰ ঃ** 'স্বাৱলম্বী ভাৰত অভিযান'ৰ অন্তৰ্গত জিলা জীৱিকা সৃজনী কেন্দ্ৰ, কামৰূপৰ সমন্বয়ক বিনয় কুমাৰ দাসৰ নেতৃত্বত স্বদেশী জাগৰণ মঞ্চৰ পৰিচালনাত আজি দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ত এখন সভা অনুষ্ঠিত হয়। ৰাতুল কলিতাই আঁত ধৰা আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে স্বদেশী জাগৰণ মঞ্চৰ উত্তৰ অসমৰ সমন্বয়ক তাৰিণী ডেকাই। তেওঁ এই অভিযানৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতীয়ে নিজক দক্ষতাসম্পন্ন কৰি স্বাৱলম্বিতাৰ পথ গ্ৰহণ কৰিব পাৰিব বুলি উল্লেখ কৰে। সভাত অংশগ্ৰহণ কৰি জিলা জীৱিকা সৃজনী কেন্দ্ৰ উদ্বোধন কৰে বিধায়ক হেমাংগ ঠাকুৰীয়াই। তেওঁ এই



সৃজনী কেন্দ্ৰৰ জৰিয়তে অঞ্চলটোৰ যুৱক-যুৱতী তথা ছাত্ৰ-ছাত্ৰীয়ে স্বাৱলম্বিতাৰ পথ বাছি ল'ব পাৰিব বুলি আশা প্ৰকাশ কৰে। এই কেন্দ্ৰটো পলাশবাৰী সমষ্টিত মুকলি কৰাত তেওঁ সন্তোষ প্ৰকাশ কৰে। সভাত লঘু উদ্যোগ নৰ্থ-ইষ্টৰ উপ-সভাপতি তথা স্বাৱলম্বী ভাৰত অভিযান মিছনৰ সহকাৰী সংযোজক পাৰ্থপ্ৰতিম পাঠকে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী তথা নিবনুৱা যুৱক-যুৱতীক অকল চৰকাৰী চাকৰিৰ আশা নকৰি নিজৰ ভৰিত নিজে থিয় দিবৰ বাবে ক্ষুদ্ৰ উদ্যোগ আদি গঢ়ি তোলাৰ আহ্বান জনায়। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক দেৱাশিস শইকীয়ায়ো ভাষণ দিয়ে। সভাত স্বাৱলম্বী ভাৰত অভিযানৰ প্ৰভাৰী পিকু কুমাৰ দাস, মহাবিদ্যালয়খনৰ কেৰিয়াৰ গাইড চেলৰ সভাপতি তথা অধ্যাপিকা জিনু দাস, জাগৰণ মঞ্চৰ বিষয়ববীয়া বিশ্বজিৎ বৰ্মন, গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ-ছাত্ৰী, মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ৰঞ্জন ভূঞা, অধ্যাপক, ছাত্ৰী, জাগৰণ মঞ্চৰ আন বিষয়ববীয়াসকলেও অংশগ্ৰহণ কৰে। তাত তথ্যৰ অনুসন্ধান কৰিব পাৰিব বুলিও উল্লেখ কৰে।

ASOMIYA PRATIDIN - 18, December - 2022. P-15

অসমীয়া প্ৰতিদিন - ১৮ ডিচেম্বৰ - 2022. পৃ:- ১৫

Acc.No 76

Dakshin Kamrup Girls' College Library
Estd. 1988
Mirza

# মিৰ্জাৰ ডিকে ছোৱালী কলেজত জীৱিকা সৃজনী কেন্দ্ৰ শুভ উদ্বোধন

**নিয়মীয়া বাৰ্তা, মিৰ্জা, ১৮ ডিচেম্বৰ ঃ** স্বাৱলম্বী ভাৰত অভিযানৰ অন্তৰ্গত জিলা জীৱিকা সৃজনী কেন্দ্ৰ, কামৰূপৰ সমন্বয়ক বিনয় কুমাৰ দাসৰ নেতৃত্বত স্বদেশী জাগৰণ মঞ্চৰ পৰিচালনাত ১৬ ডিচেম্বৰত পলাশবাৰী সমষ্টিৰ অন্তৰ্গত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মিৰ্জাত এখন সভা অনুষ্ঠিত কৰা হয়। এই উপলক্ষে স্বাৱলম্বী ভাৰত অভিযান মিছন, অসমৰ বিষয়ববীয়া ৰাতুল কলিতাই আঁত ধৰা আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে স্বদেশী জাগৰণ মঞ্চৰ উত্তৰ অসমৰ সমন্বয়ক তাৰিণী ডেকাই। তেওঁ এই স্বাৱলম্বী ভাৰত অভিযানৰ জৰিয়তে নিৱনুৱা যুৱক-যুৱতীয়ে নিজক দক্ষতাসম্পন্ন কৰি স্বাৱলম্বিতাৰ পথ অৰ্জন কৰিব পাৰিব বুলি উল্লেখ কৰে। এই সভাত জিলা জীৱিকা সৃজনী কেন্দ্ৰৰ শুভ উদ্বোধন কৰে বিধায়ক হেমাংগ ঠাকুৰীয়াই। তেওঁ এই সৃজনী কেন্দ্ৰৰ জৰিয়তে অঞ্চলটোৰ যুৱক-যুৱতী তথা ছাত্ৰ-ছাত্ৰীয়ে স্বাৱলম্বিতাৰ পথা বাছি ল'ব পাৰিব বুলি আশা প্ৰকাশ কৰে। এই কেন্দ্ৰটো পলাশবাৰী সমষ্টিত মুকলি কৰাত তেওঁ সন্তোষ প্ৰকাশ কৰে। সভাত লঘু উদ্যোগ নৰ্থ ইষ্টৰ উপ-সভাপতি তথা স্বাৱলম্বী ভাৰত অভিযান মিছনৰ সহঃ সংযোজক পাৰ্থপ্ৰতিম পাঠকে অংশগ্ৰহণ কৰি, ছাত্ৰ-ছাত্ৰী তথা নিবনুৱা যুৱক-যুৱতীক অকল চৰকাৰী চাকৰি আশা নকৰি নিজৰ ভৰিত নিজে থিয় দিবৰ বাবে ক্ষুদ্ৰ উদ্যোগ আদি গঢ়ি তোলাৰ আহ্বান জনায়। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক দেৱাশিস শইকীয়াই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি ন' স্কীল ন' ডেভেলপমেণ্ট, আৰ্ন হুৱাইল ইউ লাৰ্ন আদি কথাৰে উৎসাহিত কৰে। এই সভাতে জিলা জীৱিকা সৃজনী কেন্দ্ৰ কামৰূপৰ সমন্বয়ক বিনয় কুমাৰ দাসে এই কেন্দ্ৰটো পলাশবাৰী সমষ্টিত পোনপ্ৰথমবাৰৰ বাবে মুকলি কৰিবলৈ পাই সুখী হোৱা বুলি উল্লেখ কৰে। সভাৰ আসনৰ পৰা অধ্যক্ষ ড° নৰকান্ত অধিকাৰীয়ে সময়ৰ সদ্ব্যৱহাৰ স্বাৱলম্বিতাৰ এক নিদৰ্শন বুলি উল্লেখ কৰে। তেওঁ কয়— মহাবিদ্যালয়ত চৰকাৰে ছোৱালীৰ মাচুল বিনামূলীয়া কৰি দিয়াত এই মহাবিদ্যালয়খন পৰিচালনা কৰাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। তেনেক্ষেত্ৰত এই কেন্দ্ৰটো স্থাপন কৰি ছাত্ৰীসকলৰ সংস্থাপনৰ বাট মুকলি কৰাৰ লগতে মহাবিদ্যালয়খনলৈ কিছু সহায়-সহযোগ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই সভাতে স্বাৱলম্বী ভাৰত অভিযান, অসমৰ প্ৰভাৰী পিকু কুমাৰ দাস, মহাবিদ্যালয়খনৰ কেৰিয়াৰ গাইড চেলৰ সভাপতি তথা অধ্যাপিকা জিনু দাস, জাগৰণ মঞ্চৰ বিষয়ববীয়া বিশ্বজিৎ বৰ্মন, গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ-ছাত্ৰী, মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ৰঞ্জন ভূএগ, অধ্যাপক, ছাত্ৰী, জাগৰণ মঞ্চৰ আন বিষয়ববীয়াই অংশগ্ৰহণ কৰি এই কেন্দ্ৰটো মুকলি কৰা কাৰ্যৰ ধন্যবাদ জ্ঞাপন কৰে। এই কেন্দ্ৰৰ জৰিয়তে জিলাখনত কিমান নিবনুৱা যুৱক-যুৱতীয়ে সংস্থাপন পালে আৰু কিমানে সংস্থাপন নোপোৱাকৈ আছে, তাৰ তথ্যৰ অনুসন্ধান কৰিব পাৰিব বুলি উল্লেখ কৰে।

NIYOMIYA BARTA - 19, December-2022. P-4

নিয়মীয়া বাৰ্তা - ১৯ ডিচেম্বৰ, 2022. পৃঃ-৪